# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-09-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

**-----------------------**

দক্ষতা, নিয়োগ আৰু উদ্যমিতা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই  শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ স্বচ্ছ ভাৰত মিছন গ্ৰামীন আৰু জলজীৱন মিছনৰ কাৰ্যকৰীকৰণ তথা পৰিকল্পনা সন্দৰ্ভত চাহ বাগিছাৰ পৰিচালক, কৰ্তৃপক্ষ আৰু অন্যান্য অংশীদাৰসকলৰ সৈতে কালি এখন বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত চাহ বাগিছা এলেকাসমূহত দুয়োখন আঁচনিৰে এশ শতাংশ ৰূপায়ণ, প্ৰতিটো বাসগৃহত শৌচাগাৰ স্থাপন তথা আঁচনিসমূহৰ কাৰ্যকৰীকৰণৰ বাবে বুজাবুজিৰ চুক্তিও চূড়ান্ত কৰা হয়। ইয়াৰ লগতে বাগিচাৰ শ্ৰমিকসকলে যাতে দুবাৰ নিয়মিত খোৱাপানী লাভ কৰে সেয়া নিশ্চিত কৰিবলৈ বাগিচাৰ কৰ্তৃপক্ষক তেওঁ অনুৰোধ জনায়। বৈঠকত পাৰ্বত্য অঞ্চল উন্নয়ন মন্ত্ৰীযোগেন মহনো উপস্থিত থাকে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ তথা সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ ৰাজ্য মন্ত্ৰী বি এল বাৰ্মা দুদিনীয়া ভ্ৰমণসূচীৰে আজি চৰাইদেউ জিলাত উপস্থিত হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হ'ব।

০০০০০০

পশুপালন আৰু পশু চিকিৎসা মন্ত্ৰী অতুল বৰাই কালি মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ হিতাধিকাৰী প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলৰ সৈতে মত বিনিময় কৰে। বোকাখাতৰ পশু চিকিৎসা বিজ্ঞান আৰু পশুপালন মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে কৃষি, পশুপালন তথা আনুসংগিক ক্ষেত্ৰসমূহত আত্মনিৰ্ভৰশীলতাৰ সুযোগ দিয়াৰ জৰিয়তে যুৱ সৱলীকৰণৰ প্ৰচেষ্টা  অব্যাহত ৰাখিছে। ৰাজ্যৰ জনসংখ্যাৰ সৰহ সংখ্যক লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল বুলি উল্লেখ কৰি তেওঁ কয় যে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ জৰিয়তে বাণিজ্যিক মূল্য থকা কৃষি আৰু উদ্যমিতা ক্ষেত্ৰৰ উন্নয়ন ত্বৰান্বিত হৈছে।

০০০০০০

মাজুলী জিলাৰ নৱনিযুক্ত জিলা আয়ুক্তগৰাকী কালি জিলাখনৰ সাংবাদিকসকলৰ সৈতে নিজ কাৰ্যালয়ত আলোচনাত মিলিত হয়। সভাত সাংবাদিকসকলে জিলাখনৰ বিভিন্ন সমস্যা তথা জনসাধাৰণৰ আশা-আকাংক্ষাৰ বিষয়ে তেওঁৰ সন্মুখত ব্যাখ্যা কৰে। বৈঠকৰ সময়ত জিলা আয়ুক্তগৰাকীয়ে জিলাখনৰ সৰ্বাংগীন উন্নয়নৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰাৰ লগতে মাজুলীবাসীৰ কল্যাণৰ বাবে জিলা প্ৰশাসনে অহৰহ কাম কৰি যোৱাৰ আশ্বাস প্ৰদান কৰে।

আনহাতে নৱনিযুক্ত জিলা আয়ুক্তগৰাকীৰ অধ্যক্ষতাত অহা ২৯ ছেপ্তেম্বৰত হ'বলগীয়া গাড়ীচালক আৰু অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত কালি এখন সভা অনুষ্ঠিত হয়। সভাত পৰীক্ষাৰ লগত জড়িত সকলো বিষয়া উপস্থিত থাকে। চৰকাৰী নীতি-নিৰ্দেশনা অনুসৰি উপযুক্ত নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে

শৃংখলাবদ্ধ তথা শান্তিপূৰ্ণভাৱে পৰীক্ষা অনুষ্ঠিত কৰাৰ বিষয়ে বিতংভাৱে আলোচনা কৰাৰ লগতে সকলোকে নিজ নিজ দায়িত্ব পালন কৰিবলৈ আয়ুক্তগৰাকীয়ে আহ্বান জনায়।

০০০০০০

ভাৰতীয় জনতা পাৰ্টীৰ সদস্য ভৰ্তি অভিযানৰ অংশস্বৰূপে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কালি চৰাইদেউ জিলাৰ অটল বিহাৰী বাজপেয়ী ভৱনত অনুষ্ঠিত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী যোগেন মহন, সোণাৰি বিধানসভা সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, চৰাইদেউ জিলাৰ বিজেপিৰ সভাপতিকে ধৰি বিজেপিৰ অৰ্ধ শতাধিক কাৰ্যকৰ্তা উপস্থিত থাকে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে তৃতীয়টো কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ কৰিছে। এই সময়ছোৱাত চৰকাৰে আন্তঃগাথনি, সমাজ কল্যাণ, কৃষক, মধ্যবিত্ত শ্ৰেণী, মহিলা আৰু যুৱ প্ৰজন্মৰ বাবে প্ৰায় ১৫ লাখ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। চৰকাৰে দেশৰ গ্ৰামাঞ্চল আৰু আৰ্থিকভাৱে পিছপৰা অঞ্চলৰ মহিলাসকলৰ সৱলীকৰণত গুৰুত্ব আৰোপ কৰি বিশেষভাৱে মহিলাৰ দ্বাৰা পৰিচালিত বিকাশৰ বাবে শক্তিশালী পৰিকাঠামো গঠনৰ দিশত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। দেশক ২০৪৭ চনৰ ভিতৰত উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যৰে নৰেন্দ্ৰ মোদী চৰকাৰে কোনো লোকে বিশেষকৈ মহিলা যাতে বিকাশৰ প্ৰক্ৰিয়াৰ পৰা বাদ পৰি নাযায় তাক নিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। দিনদয়াল অন্ত্যোদয় আঁচনি-ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা অভিযানৰ অধীনত ৯০ লাখৰো অধিক আত্মসহায়ক গোটৰ জৰিয়তে প্ৰায় ১০ কোটি মহিলাক অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰায় এঘাৰ লাখ নতুন লাখপতি দিদিয়ে প্ৰধানমন্ত্ৰীৰ পৰা তেঁওলোকৰ সফলতাৰ চিনৰূপে প্ৰমাণপত্ৰ লাভ কৰিছে। এই বছৰৰ বাজেটত নাৰী শক্তিক লাভান্বিত কৰাৰ উদ্দেশ্যে ৩ লাখ কোটি টকা ধাৰ্য কৰা হৈছে। আনহাতে, মহিলাৰ বাবে সন্মান তথা ঘৰৰ মালিকীস্বত্ত সুনিশ্চিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত প্ৰায় ৩ কোটি অতিৰিক্ত গৃহ নিৰ্মাণ কৰা হ'ব। চৰকাৰে চাৰি লাখ ৩০ হাজাৰ আত্মসহায়ক গোটৰ ৪৮ লাখ সদস্য উপকৃত হোৱাকৈ দুহেজাৰ ৫০০ কোটি টকাৰ পুঁজি মুকলি কৰি দিছে। নাৰী শক্তিক উদযাপন কৰাৰ উদ্দেশ্যে দুই লাখ ৩৫ হাজাৰ আত্মসহায়ক গোটৰ ২৬ লাখ সদস্য উপকৃত হোৱাকৈ পাঁচ হাজাৰ কোটি টকাৰ বেংকৰ ঋণ মুকলি কৰি দিয়া হৈছে। তদুপৰি মহিলা উদ্যোগীসকলৰ সৱলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি মুদ্ৰা ঋণৰ সীমা ১০ লাখৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন-পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

ইণ্ডিয়ান ছুপাৰ লীগ ফুটবল প্ৰতিযোগিতাৰ কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত কালি অনুষ্ঠিত এখন খেলত মোহন বাগান ছুপাৰ জায়েণ্টছ্ দলটোৱে নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবক ৩-২ গলৰ ব্যৱধানত পৰাস্ত কৰে। নৰ্থ ইষ্ট ইউনাইটেড এফ চিৰ খেলুৱৈ মহম্মদ আলী বেমাম্মাৰে খেলৰ চতুৰ্থ মিনিটতেই প্ৰথমটো গল দি দলটোক আগবঢ়াই নিয়ে যদিও খেলখনৰ আৰম্ভণিৰ পৰাই আক্ৰমণাত্মক ভূমিকা গ্ৰহণ কৰা মোহন বাগান দলটোৰ খেলুৱৈসকলে নৰ্থ ইষ্ট দলক প্ৰতিহত কৰিবলৈ সমৰ্থ হয়।

মোহন বাগানৰ দীপ্যেন্দু বিশ্বাসে খেলৰ দশম মিনিটত প্ৰতিপক্ষৰ বেহু ভেদ কৰি সমতা স্থাপন কৰে। নৰ্থ ইষ্ট দলৰ আলেদ্দিন আজাৰীয়ে খেলৰ ২৪ মিনিটত দ্বিতীয়টো গল দিয়ে যদিও ৬১ মিনিটত শুভাশিস বোসে নিজ দলৰ হৈ দ্বিতীয়টো গলেৰে পুনৰ ২-২ গলত সমতা স্থাপন কৰে। পৰৱৰ্তী সময়ত খেলৰ ৮৭ মিনিটত জেছন কিউমিংছে মোহন বাগানৰ হৈ তৃতীয়টো গল দি দলটোৰ বিজয় নিশ্চিত কৰে।

oooooo

সমাপ্ত